সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

দশম শ্রেণীৰ বাবে

দ্বিতীয় ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)

পাঠ - ১২

পাৰস্যত এভুমুকি

অংশ -৪

অংগৰাগ ভূঞা



এটা খড়্গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। বুশ্বেৰ চহৰৰ এটা বিৱৰণ দিয়া।




समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- বুশ্বেৰ পাৰস্য উপসাগৰৰ পাৰত অৱস্থিত ইৰাণৰ ইখন সৰু চহৰ। পাৰস্য উপসাগৰৰ পাৰত অৱস্থিত বুশ্বেৰ হৈছে এখনি বন্দৰ নগৰী। বুশ্বেৰ এখন সৰু নগৰ হ'লেও ইয়াৰ ৰাস্তা-ঘাটবোৰ অতি সু-পৰিকল্পিত আৰু পৰিষ্কাৰ-পৰিচ্ছন্ন। নগৰৰ ৰাস্তাবোৰ চাৰি শাখাযুক্ত আৰু মাজত ডিভাইডাৰ থকা। এই ডিভাইডাৰসমূহ যথেষ্ট নিকা। চহৰৰ প্ৰতিটো ঘৰ সুৰক্ষিতভাৱে ওখ ওখ দেৱালেৰে আৱৰা আৰু আৱাসিক অঞ্চলৰ ঘৰসমূহ দুই বা তিনিমহলীয়া। এই নগৰখন খেজুৰৰ বাবে বিখ্যাত। বুশ্বেৰ ইৰাণৰ এটা সামৰিক ঘাটি আছে আৰু তাত এটা নিউক্লীয় ৰিয়েক্টৰ আছে। বুশ্বেৰৰ তাপমাত্রা চল্লিছ ডিগ্রী ছেন্টিগ্রেডৰ ওপৰত থাকে।

এই নগৰখনৰ মহিলাসকলে আধুনিক সাজ-পোছাক পৰিধান কৰে। সকলো মহিলাই তাত বোৰ্খা পৰিধান নকৰে। বুশ্বেৰত এটা অতি গুৰুত্বপূৰ্ণ বিমানবন্দৰ আছে আৰু এই বিমানবন্দৰটো ইৰাণৰ এটা সামৰিক ঘাটি।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। ইৰাণৰ ইতিহাসৰ বিষয়ে চমুকৈ লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ইৰাণ হ'ল মানৱ সভ্যতাৰ প্ৰাচীন ইতিহাসৰ ধ্বজাবাহক। ইৰাণৰ ইতিহাস অতি প্ৰাচীন। এই প্ৰাচীন সভ্যতা আজিও সজীৱ হৈ আছে প্ৰত্নতাত্ত্বিক, ঐতিহাসিক, সাংস্কৃতিক, ঐতিহ্য তথা বিৰল কীৰ্তিস্তম্ভৰ যোগেদি। প্ৰায় চাৰি হাজাৰ বছৰ পূৰ্বে আৰ্যগোষ্ঠীৰ লোকসকলে ইৰাণলৈ আহি বসতি স্থাপন কৰিছিল। খ্ৰীষ্টপূৰ্ব প্ৰায় ছয় শতিকাৰ পূৰ্বে বিখ্যাত ৰজা ছাইৰাছে উত্তৰ ইৰাণৰ "মেডেছ"সকলক পৰাস্ত কৰি ইৰাণবাসীক একত্ৰিত কৰিছিল। খ্ৰীষ্টপূৰ্ব ৫২৯ ত ছাইৰাছৰ মৃত্যু হয় আৰু নতুন ৰজা দৰিয়াছে সাম্ৰাজ্য প্ৰসাৰৰ প্ৰয়াস কৰে যদিও পৰৱৰ্তী কালত আলেকজেণ্ডাৰৰ আগমনত ছাইৰাছৰ পাৰ্ছেপলিছ সাম্ৰাজ্যৰ পতন ঘটিছিল।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকালৈ ইৰাণত গ্ৰীকসকলে শাসন কৰাৰ পাছত পাৰ্থিয়ানসকলে ইৰাণৰ শাসনভাৰ লাভ কৰিছিল আৰু পাৰ্থিয়ানসকলৰ ৰাজত্বকালত "জোৰাষ্ট্ৰিয়ান" ধৰ্মই ইৰাণৰ ৰাজধৰ্ম হিচাপে স্বীকৃতি লাভ কৰিছিল। ৩৫০ বছৰ কাল পাৰ্থিয়ানসকলে শাসন কৰাৰ পাছত চাৰিটা শতিকা "ছাজানিক"সকলে ইৰাণত শাসন কৰিছিল। ইয়াৰ পাছতেই ইৰাণলৈ আৰৱসকলৰ আগমন ঘটে আৰু ইয়াৰ লগে লগে ইৰাণৰ ইতিহাসৰ পৰিৱৰ্তন হ'বলৈ ধৰিছিল। আৰৱসকলে ইৰাণলৈ "মুছলিম" ধৰ্মৰ আগমন ঘটাইছিল আৰু সময় অতিবাহিত হোৱাৰ লগে লগে ইছলাম ধৰ্মক ইৰাণৰ মুখ্য ধৰ্ম হিচাপে স্বীকৃতি দিয়া হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ইৰাণৰ শাসনকর্তাসকলৰ ভিতৰত অন্যতম আছিল নাদিৰ শ্বাহ। তেওঁৰ ৰাজত্বকাল ১৭৩৭ চনৰ পৰা ১৭৪৭ চনলৈ। তেওঁলোকে প্রথম বিশ্বযুদ্ধৰ সময়লৈ ইৰাণত শাসন কৰিছিল। প্রথম বিশ্বযুদ্ধৰ পিছত ৰেহাশ্বাহ পাহ্লাভিয়ে ইৰাণৰ শাসনভাৰ হাতত ল'লে আৰু তেতিয়াৰে পৰা আধুনিকীকৰণৰ প্রচেষ্টাৰ আৰম্ভণি হ'ল। ১৯৭৯ চনৰ বিখ্যাত ধর্মীয় বিপ্লৱৰ ফলস্বৰূপে পহিলা এপ্রিলৰ পৰা ইৰাণে ইছলামিক গণতন্ত্র হিচাপে স্বীকৃতি লাভ কৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। ইৰাণৰ ভূতত্ত্বৰ বিষয়ে লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ইৰাণ চহৰৰ ভূতত্ত্বৰ বিষয়ে ক'বলৈ গ'লে পোনপ্রথমে মনলৈ আহে জাগ্রছ পর্বতমালাৰ কথা। ইৰাণ চহৰৰ মূখ্য আকর্ষণ হৈছে এই পর্বতমালা। ইৰাণৰ পাৰস্য উপসাগৰীয় অঞ্চলত ডেৰশতকৈও অধিক তৈলক্ষেত্র আছে আৰু এই অঞ্চলৰ ওপৰতে বিশ্বৰ বহুতো দেশ নির্ভৰশীল। ইৰাণৰ ভূ-স্তৰত বিভিন্ন যুগৰ বিভিন্ন শিলাস্তৰত তেল আৰু গেছ পোৱা যায়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৬। জাগ্রছ পর্বতমালাৰ বিষয়ে তোমাৰ পাঠ্য পুথিৰ সহায়ত লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- জাগ্ৰছ পৰ্বতমালা হৈছে ইৰাণৰ এক মূখ্য আকৰ্ষণ। এই পৰ্বতমালা আৰৱ প্লেট আৰু ইউৰেছিয়া প্লেটৰ সংঘাটৰ ফলত সাগৰৰ বুকুৰ পৰা জাগ্ৰত হৈ উঠিছিল। এই পৰ্বতমালাৰ দক্ষিণ-পশ্চিম দিশত তেল আৰু গেছৰ ভাণ্ডাৰ সঞ্চিত হৈ আছে। এই পৰ্বতমালা ইৰাণৰ উত্তৰ-পশ্চিমৰ পৰা দক্ষিণ-পূবলৈ বিয়পি আছে। ইয়াৰ সৰ্বোচ্চ শৃংগটোৰ উচ্চতা প্ৰায় ৪,৫০০ মিটাৰ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৭। ইৰাণৰ কেইখনমান ঠাইৰ নাম লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- ইৰাণৰ কেইখনমান উল্লেখযোগ্য ঠাইৰ নাম হ'ল — বুশ্বেৰ, টেহৰাণ, চিৰাজ, আহৱাজ, টাবৰিজ, ইছফাহান, মাছাদয়াজ, হামাদান, কাৰমান আদি।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৮। টেহৰাণৰ বিমান বন্দৰ কেইটা কি কি আৰু কোন কোন স্থানত?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- টেহৰাণৰ বিমানবন্দৰ দুটা। সেইকেইটা হ'ল মেহৰাবাদ বিমান বন্দৰ আৰু খোমেনি আন্তৰ্জাতিক বিমান বন্দৰ। মেহৰাবাদ বিমান বন্দৰটো চহৰৰ মাজত অৱস্থিত আৰু খোমেনি আন্তৰ্জাতিক বিমান বন্দৰটো চহৰৰ পৰা নিলগত অৱস্থিত।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৯। টেহৰাণৰ প্ৰাকৃতিক অৱস্থা কেনেকুৱা লিখা।



উত্তৰঃ- টেহৰাণৰ প্ৰাকৃতিক অৱস্থা অতি সুন্দৰ আৰু মনোমোহা। ওখ ওখ পৰ্বতেৰে পৰিৱেষ্টিত টেহৰাণ হ'ল এখন অতি সুন্দৰ চহৰ। টেহৰাণৰ এই মনোমোহা সৌন্দৰ্যৰ বাবে বহুতে টেহৰাণক পেৰিছৰ লগতো তুলনা কৰে। গ্ৰীষ্মৰ দুটা মাহ ইয়াত যথেষ্ট গৰম হয় যদিও বছৰৰ বাকী সময়ছোৱাত টেহৰাণৰ জলবায়ু অতি আৰামদায়ক হয়। শীতকালত টেহৰাণত বৰফ পৰে। টেহৰাণক এই সুন্দৰ জলবায়ু প্ৰদান কৰে এলব্ৰুন পৰ্বতৰাশিয়ে। পৰ্বতৰ ওপৰৰ হিমবাহবোৰ টেহৰাণ চহৰৰ খোৱা পানীৰ প্ৰধান উৎস।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১০। স্লামবার্জাৰ কোম্পানিৰ কার্যালয় ক'ত ক'ত আছে?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- "স্লামবার্জাৰ" কোম্পানীৰ কার্যালয় নাজিৰাৰ পৰা "নাইজেৰিয়ালৈকে", দুলীয়াজানৰ পৰা ডুবাইলৈকে, টেহৰাণৰ পৰা টেক্সাছলৈকে পৃথিৱীৰ সকলো তৈলক্ষেত্ৰৰ ওচৰে-পাঁজৰে আছে।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১১। ইৰাণীসকলৰ নৱবৰ্ষ উৎসৱৰ বিৱৰণ দিয়া।



উত্তৰঃ- বসন্তৰ মনোৰম দিনৰ আৰম্ভণিতে ইৰাণীসকলে তেওঁলোকৰ নৱবর্ষ অর্থাৎ 'ন' ৰোজ পালন কৰে। দুসপ্তাহ জুৰি উদযাপন কৰা এই উৎসৱ আৰম্ভ হয় বসন্তৰ প্রথম দিনটোত, যেতিয়া সূর্যই বিষুৱ ৰেখা অতিক্রম কৰে। নৱবর্ষৰ সময়ত বুশ্বেৰৰ স্কুল-কলেজ, চৰকাৰী কার্যালয়, হোটেল আদি সকলোতে শিবিৰ স্থাপন কৰা হয়। যাতে, ইৰাণীসকলে ভালদৰে নৱবর্ষ উৎযাপন কৰিব পাৰে। নৱবর্ষ উৎযাপন উপলক্ষে তেওঁলোক সকলোৱে নতুন কাপোৰ পৰিধান কৰে আৰু বহুতো পিঠা-পনা বনায়। নৱবর্ষৰ এই উৎসৱত বহুতো বিষয় সামৰি লোৱা হয়।

বিষয়সমূহ হ'ল চহৰখনৰ পৰিৱেশ আৰু নিজকে চাফ-চিকুণ কৰা, শত্রুভাৱ দূৰ কৰি সকলোৰে লগত বন্ধুত্ব স্থাপন কৰা, অগ্নিশিখা প্রজ্বলন কৰা, সীমান্ত নদী বা সাগৰৰ অভিমূখে যাত্রা ইত্যাদি।

এই উৎসৱৰ সময়ত যিকোনো পার্ছি গৃহতে টেবুল বা কার্পেটৰ ওপৰত এখন সুন্দৰ কাপোৰ পাৰি সাতবিধ খাদ্যবস্তু সজোৱা হয়। এই সাতবিধ খাদ্যৰ কাষত পৱিত্র কোৰাণ আৰু হাফেজৰ কবিতা পঢ়ে। বছৰৰ শেষ বুধবাৰে ৰাজহুৱা স্থানত মেজি জ্বলাই জুইৰ ওপৰেৰে পাৰ হৈ পার্থনা কৰে আৰু জুইৰ পোহৰত কাঁহী-বাটি বজায় আৰু মানুহৰ ঘৰে ঘৰে গৈ আতিথ্য গ্রহণ কৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১২। বেহেষ্ট-ই-জাহাৰাৰ লগত টেহৰাণবাসীৰ সম্পৰ্কৰ বিষয়ে লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- বেহেষ্ট-ই-জাহাৰা হ'ল টেহৰাণৰ এক জনপ্রিয় স্থান। বেহেষ্ট-ই-জাহাৰা হৈছে টেহৰাণৰ মূখ্য সমাধিস্থল। এই ঠাই কেইবা কিলোমিটাৰ জুৰি বিস্তৃত হৈ আছে। খোৱা-বোৱাৰ দোকানৰ পৰা খেল-পথাৰৰলৈকে সকলো এই সমাধিস্থলত আছে। টেহৰাণক জানিব বা অনুভৱ কৰিবলৈ বেহেষ্ট-ই-জাহাৰা হ'ল উত্তম স্থান। ই টেহৰাণৰ গুণ-গৰিমা সুন্দৰভাৱে প্রতিফলিত কৰে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

১৩। শ্বিৰীণ ইবাডি কোন? তেওঁৰ সংগ্ৰামৰ বিষয়ে পাঠ্যপুথিৰ সহায়ত লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ- শ্বিৰীণ ইবাডি হ'ল ইৰাণৰ এগৰাকী নৱেল বঁটা বিজয়ী সংগ্রামী নেত্রী।

ছাদ্দাম হুছেইনৰ সমর্থিত এটা বিপ্লৱৰ অংশীদাৰ হিচাপে শ্বিৰীণ ইবাডিয়ে খোমেনিক পদচ্যুত কৰিবলৈ চেষ্টা কৰিছিল যাৰ বাবে তেওঁক শীতল মস্তিষ্কৰে হত্যা কৰা হৈছিল। কিন্তু কঠোৰ পন্থীৰ বিৰুদ্ধে শ্বিৰীণ ইবাডিৰ যি সংগ্রাম সেয়া লেখত ল'বলগীয়া। তেওঁক বিচাৰপতি হোৱাৰ পৰা বঞ্চিত কৰা হৈছিল আৰু হিজাব পৰিধান কৰিবলৈ জোৰ দিয়া হৈছিল। তেনে এটা কঠিন পৰিৱেশত তেওঁ মানৱ অধিকাৰ এটা অত্যুৎসাহী পদক্ষেপ লৈছিল।

তেওঁ নির্যাতনৰ বলি হোৱা যুৱতীৰ লগতে শাসন বিৰোধী বুলি চিনাক্ত কৰি শাস্তি বিহা যুৱক, পতিৰ অত্যাচাৰৰ বলি হোৱা পত্নীসকলৰ হৈ যুঁজ দিছিল। যেতিয়া তেওঁ বিজয়ৰ মুখ দেখিলে তেতিয়া তেওঁ মানৱ অধিকাৰৰ অগ্রণী ৰনুৱা হিচাপে সমগ্র বিশ্বতে পৰিচিত হৈ পৰিল আৰু সেয়েহে তেওঁক শান্তিৰ নৱেল বঁটাৰে সন্মানিত কৰা হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

ভাষা-বিষয়ক :


১। তলত দিয়া শব্দকেইটা কি ভাষাৰ লিখা —



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ-



কেঁচি — ফার্চী ভাষা।

দোৱাত — ফার্চী ভাষা।

চিয়াঁহী — ফার্চী ভাষা।


চিচা — ফার্চী ভাষা।

কেন্দি — ফার্চী ভাষা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। তলত দিয়া শব্দকেইটাৰ অর্থ লিখা —



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ-

খেলে মামনুন — ধন্যবাদ।


মিৰচি ছালাম — ধন্যবাদ।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৩। তলত দিয়া শব্দকেইটাৰ প্ৰতীকী অৰ্থ কি?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ-

চবজে (ঘেঁহু বা দাইল) — পুনৰ জন্মৰ প্ৰতীক।

ছামানু (ঘেঁহু কঠীয়াৰ পায়স) — নতুন জীৱনৰ প্ৰতীক।

ছিব (আপেল) — স্বাস্থ্য আৰু সৌন্দৰ্য্যৰ প্ৰতীক।

জেনেজেভ (বনৰীয়া শুকান জলফাই)— প্ৰেমৰ প্ৰতীক।

ছিৰ (নহৰু)— ঔষধ।


ছমাক (এবিধ বগৰী) — সূৰ্যোদয়ৰ বৰণ বুজায়।

ছেৰকেহ (ভিনেগাৰ) — বয়স আৰু ধৈর্য্যৰ প্ৰতীক।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা


Under CSR Support by
ipca | Foundation

৪। তলত দিয়া শব্দকেইটাত 'ষ' আৰু 'ণ' কিয় প্ৰয়োগ হৈছে লিখা:



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



উত্তৰঃ-

সম্ভাৱণঃ সাধাৰণতে 'অ', 'আ' তথা অন্য স্বৰবর্ণ অথবা 'ক' তথা 'ৰ' পাছত থকা 'স' মূর্দ্ধণ্য 'ষ' হয়। আনহাতে, একেটা পদতে থকা 'ঋ', 'ৰ', 'ষ' - ৰ পাছত থকা দন্ত্য 'ন' মূর্দ্ধণ্য 'ণ' হয়।

অন্বেষণঃ একেটা পদতে থকা 'ঋ', 'ৰ', 'ষ' - ৰ পাছত থকা দন্ত্য 'ন' মূর্দ্ধণ্য 'ণ' হয়।

গৱেষণাঃ কিছুমান শব্দত স্বাভাৱিকতে মূর্দ্ধণ্য 'ষ' হয়।

অৱতৰণঃ একেটা পদতে থকা 'ঋ', 'ৰ', 'ষ' - ৰ পাছত থকা দন্ত্য 'ন' মূর্দ্ধণ্য 'ণ' হয়।


৫। তলৰ শব্দকেইটাত কি প্ৰত্যয় প্ৰয়োগ হৈছে লিখা —

ইৰাণী,
আবাসিক,
বাণিজ্যিক,
শেহতীয়া,
সোণালী,
খৰচী।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ-



ইৰাণী — ঈ (ইৰাণ + ঈ = ইৰাণী)

আবাসিক — ইক (আবাস + ইক = আবাসিক)

বাণিজ্যিক — ইক (বাণিজ্য + ইক = বাণিজ্যিক)

শেহতীয়া — অতীয়া (শেহ + অতীয়া = শেহতীয়া)

সোণালী — আলী (সোণ + আলী = সোণালী)

খৰচী — ঈ (খৰচ + ঈ = খৰচী)